BA 5th Sem/2018

**General**

5th sem BA (G) Arts



**2018**

# EDUCATION

( General )

Paper : 5.2

**( Educational Measurement and Educational Statistics )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*Answer* either *in English* or *in Assamese*

**1.** Answer/Fill up the blanks/Write True or False of the following : 1×10=10

তলত দিয়াবোৰৰ উত্তৰ দিয়া/খালী ঠাই পূৰণ কৰা/শুদ্ধ নে অশুদ্ধ লিখা :

(a) "Measurement is the description of data in terms of numbers." Who gave this definition?

"কোনো তথ্যৰ সংখ্যামূলক ব্যাখ্যাই হৈছে পৰিমাপ।" এই সংজ্ঞাটো কোনে আগবঢ়াইছিল ?

*(b)* "A psychological test is a standardized instrument designed to measure objectively one or more aspects of personality by means of samples of verbal or nonverbal responses or by means of other behaviour." Who gave this definition?

"ব্যক্তিত্বৰ একক অথবা একাধিক দিশ নমুনামূলকভাৱে ভাষিক অথবা ভাষাবিহীন অথবা আন কোনো আচৰণ যোগে বস্তুনিষ্ঠভাৱে পৰিমাপ কৰিবৰ বাবে মানবিশিষ্টভাৱে প্ৰস্তুত কৰা আহিলাকেই মনোবৈজ্ঞানিক অভীক্ষা বুলি কোৱা হয়।" এই সংজ্ঞাটো কোনে প্ৰদান কৰিছিল?

*(c)* Write the formula to calculate mean from grouped data by using long method.

সমূহিত তালিকাৰ পৰা দীৰ্ঘ পদ্ধতিত গড় নিৰ্ণয় কৰা সূত্ৰটো লিখা।

*(d)* Find out the mean from the following scores :

তলৰ ৰাশিসমূহৰ পৰা গড় উলিওৱা :

16, 14, 30, 36, 40, 28, 60, 20, 32, 64

*(e)* Physical measurement is subjective.

( Write True or False )

ভৌতিক পৰিমাপ হৈছে ব্যক্তিনিষ্ঠ।

( শুদ্ধ নে অশুদ্ধ লিখা )





*(f)* Validity is a matter of degree.

( Write True or False )

বৈধতা হৈছে মাত্ৰাসাপেক্ষ।

( শুদ্ধ নে অশুদ্ধ লিখা )

*(g)* Diagnostic test is one type of standardized test.

( Write True or False )

নিৰ্ণায়ক অভীক্ষা হ'ল প্ৰতিমানীকৃত অভীক্ষাৰ এটা প্ৰকাৰ।

( শুদ্ধ নে অশুদ্ধ লিখা )

*(h)* Range is the _____ of variability.

( Fill in the blank )

প্ৰসাৰ হ'ল বিচ্যুতিৰ _____ ।

( খালী ঠাই পূৰণ কৰা )

*(i)* _____ introduced the concept of standard deviation in 1893.

( Fill in the blank )

১৮৯৩ চনত _____ য়ে আদৰ্শ বিচ্যুতিৰ সূচনা কৰিছিল।

( খালী ঠাই পূৰণ কৰা )

*(j)* There is no zero point in _____ measurement.

( Fill in the blank )

_____ পৰিমাপত কোনো শূন্য একক নাই।

( খালী ঠাই পূৰণ কৰা )

**2.** Answer the following briefly : 2×5=10

তলত দিয়াবোৰৰ চমুকৈ উত্তৰ দিয়া :

*(a)* Write two differences between physical measurement and mental measurement.

ভৌতিক পৰিমাপ আৰু মানসিক পৰিমাপৰ মাজৰ দুটা পাৰ্থক্য লিখা।

*(b)* Mention two uses of statistics in education.

শিক্ষাত পৰিসংখ্যা বিজ্ঞানৰ দুটা ব্যৱহাৰ উল্লেখ কৰা।

*(c)* Mention two advantages of graphical representation of educational data.

শৈক্ষিক তথ্যৰ লেখচিত্ৰ উপস্থাপনৰ দুটা সুবিধা উল্লেখ কৰা।

*(d)* Mention two functions of educational measurement.

শৈক্ষিক পৰিমাপৰ দুটা কাৰ্য উল্লেখ কৰা।

*(e)* Write two basic principles of evaluation.

মূল্যায়নৰ দুটা মৌলিক নীতি লিখা।





**3.** Answer any *four* of the following : 5×4=20

তলত দিয়াবোৰৰ যি কোনো চাৰিটাৰ উত্তৰ দিয়া :

*(a)* Mention five differences between evaluation and measurement.

মূল্যায়ন আৰু পৰিমাপৰ মাজৰ পাঁচটা পাৰ্থক্য উল্লেখ কৰা।

*(b)* Write about the nature of educational measurement.

শৈক্ষিক পৰিমাপৰ প্ৰকৃতি সম্পৰ্কে লিখা।

*(c)* What are the characteristics of a good test?

এটা ভাল অভীক্ষাৰ বৈশিষ্ট্যসমূহ কি কি?

*(d)* Write briefly on reliability of a test.

এটা অভীক্ষাৰ নিৰ্ভৰযোগ্যতা সম্পৰ্কে চমুকৈ লিখা।

*(e)* Write a note on objective type teacher-made test.

শিক্ষক-নিৰ্মিত বস্তুধৰ্মী অভীক্ষাৰ বিষয়ে এটা টোকা লিখা।

(f) Discuss the various methods of calculating central tendency.

কেন্দ্ৰীয় প্ৰৱণতা নিৰ্ধাৰণৰ বিভিন্ন পদ্ধতিসমূহ আলোচনা কৰা।

4. (a) What is evaluation? Discuss the importance of evaluation in education. 3+7=10

মূল্যায়ন কি? শিক্ষাৰ ক্ষেত্ৰত মূল্যায়নৰ গুৰুত্ব সম্পৰ্কে আলোচনা কৰা।

*Or / অথবা*

(b) What is educational achievement test? What are the uses of educational achievement test? Discuss. 3+7=10

শৈক্ষিক পাৰদৰ্শিতাৰ অভীক্ষা কি? শৈক্ষিক পাৰদৰ্শিতাৰ অভীক্ষাৰ উপযোগিতাসমূহ কি কি? আলোচনা কৰা।

5. (a) What is essay-type test? Discuss its merits and demerits. 4+3+3=10

ৰচনাধৰ্মী অভীক্ষা কি? ইয়াৰ সবলতা আৰু দুৰ্বলতা সম্পৰ্কে আলোচনা কৰা।

*Or / অথবা*

(b) What is continuous evaluation? Discuss about cumulative record card. 3+7=10

অবিৰত মূল্যায়ন কি? সঞ্চয়ী অভিলেখন পত্ৰ সম্পৰ্কে আলোচনা কৰা।





6. (a) Make a frequency distribution table from the following data with a class interval of 5 : 10

5 শ্ৰেণী অন্তৰাল লৈ তলত দিয়া তথ্যৰ পৰা এখন বাৰংবাৰতা বিভাজন তালিকা প্ৰস্তুত কৰা :

| | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|
| 33 | 35 | 41 | 25 | 39 | 28 | 16 | 55 | 15 | 29 |
| 27 | 44 | 22 | 24 | 47 | 18 | 29 | 46 | 27 | 42 |
| 21 | 19 | 40 | 19 | 27 | 25 | 26 | 10 | 21 | 28 |
| 29 | 34 | 17 | 33 | 34 | 33 | 36 | 27 | 38 | 32 |
| 15 | 36 | 51 | 21 | 14 | 46 | 37 | 20 | 33 | 16 |

*Or / অথবা*

(b) What is histogram? Draw a histogram from the data given in the following table : 2+8=10

আয়তচিত্ৰ কি? তলত দিয়া তালিকাৰ পৰা এটা আয়তচিত্ৰ অংকন কৰা :

| *C.I.* (*শ্ৰেণী অন্তৰাল*) | *f* (*বাৰংবাৰতা*) |
|---|---|
| 85–89 | 2 |
| 80–84 | 3 |
| 75–79 | 8 |
| 70–74 | 12 |
| 65–69 | 9 |
| 60–64 | 9 |
| 55–59 | 3 |
| 50–54 | 4 |
| | *N* = 50 |

7. *(a)* Calculate quartile deviation from the following table : 10

তলত দিয়া তালিকাৰ পৰা চতুৰ্থক বিচ্যুতি নিৰ্ণয় কৰা :

| C.I. (শ্ৰেণী অন্তৰাল) | *f* (বাৰংবাৰতা) |
|---|---|
| 90–94 | 2 |
| 85–89 | 4 |
| 80–84 | 9 |
| 75–79 | 7 |
| 70–74 | 10 |
| 65–69 | 12 |
| 60–64 | 9 |
| 55–59 | 5 |
| 50–54 | 3 |
| 45–49 | 3 |
| 40–44 | 2 |
| | $N = 66$ |

*Or* / অথবা

*(b)* Calculate coefficient of correlation by using rank-difference method from the following table and interpret the result : 8+2=10

স্থান তাৰতম্য পদ্ধতিৰে তলৰ তালিকাৰ পৰা সহসম্বন্ধ গুণাংক নিৰ্ণয় কৰা আৰু ফলাফল ব্যাখ্যা কৰা :

| *Students* | *A* | *B* | *C* | *D* | *E* | *F* | *G* | *H* |
|---|---|---|---|---|---|---|---|---|
| *Group A* | 49 | 73 | 54 | 50 | 37 | 43 | 84 | 74 |
| *Group B* | 77 | 81 | 87 | 52 | 51 | 77 | 93 | 96 |

| *Students* | *I* | *J* | *K* | *L* | *M* | *N* | *O* |
|---|---|---|---|---|---|---|---|
| *Group A* | 58 | 61 | 75 | 62 | 57 | 43 | 37 |
| *Group B* | 89 | 72 | 94 | 56 | 77 | 70 | 51 |

★ ★ ★





**2018**

# ECONOMICS

( General )

Paper : 5.2

**( Introduction to Growth and Development Economics )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*Answer* either *in English* or *in Assamese*

1. Answer the following as directed : 1×10=10

তলত দিয়াবোৰৰ নিৰ্দেশানুসৰি উত্তৰ লিখা :

*(a)* Economic development is _____. (quantitative/qualitative)

( Choose the correct one )

আৰ্থিক উন্নয়ন _____ । (পৰিমাণগত/গুণগত)

( শুদ্ধটো বাছি উলিওৱা )

*(b)* Point out one limitation of 'per capita income' as a measure of level of economic development.

আৰ্থিক উন্নয়ন জোখাৰ আহিলা হিচাপে 'জনমূৰি আয়'ৰ সীমাবদ্ধতা এটা দেখুওৱা।

(c) As per new methodology (2010) of HDI, educational attainment index is measured by combined gross enrolment ratio.

( Write True or False )

মানৱ উন্নয়ন সূচক জোখাৰ নতুন পদ্ধতি (২০১০) মতে শিক্ষা সূচকৰ বাবে সংহত সৰ্বমুঠ নামভৰ্তিৰ অনুপাত লোৱা হয়।

( সত্য নে অসত্য লিখা )

(d) State any one problem of measuring economic development in developing countries.

উন্নয়নশীল দেশৰ অৰ্থনৈতিক উন্নয়ন জোখাৰ ক্ষেত্ৰত দেখা দিয়া যি কোনো এটা সমস্যা উল্লেখ কৰা।

(e) ______ is recognized as the first economist to propound the theory of balanced growth.

(H. W. Singer / Rosenstein Rodan /W. W. Rostow)

( Fill in the blank by choosing correct one )

______ক সন্তুলিত সমৃদ্ধি তত্ত্বৰ প্ৰথম উদ্ভাৱক অৰ্থনীতিবিদ হিচাপে জনা যায়।

(এইচ্. ডব্লিউ. চিংগাৰ/ ৰ'জেনষ্টেন ৰ'ডান /ডব্লিউ. ডব্লিউ. ৰ'ষ্ট')

( শুদ্ধটো বাছি উলিয়াই খালী ঠাই পূৰণ কৰা )





(f) According to Ragnar Nurkse, economic development is partly affected by vicious circle of poverty.

( Write True or False )

ৰেগ্‌নাৰ নাৰ্ক্সেৰ মতে আৰ্থিক উন্নয়ন দৰিদ্ৰতাৰ পাকচক্ৰৰ দ্বাৰা আংশিকভাৱে প্ৰভাৱিত হয়।

( সত্য নে অসত্য লিখা )

(g) Who among the following economists propounded the theory of unlimited supply of labour?

(Prof. Hirschman/Ragnar Nurkse/ W. A. Lewis)

( Choose the correct one )

তলৰ কোনগৰাকী অৰ্থনীতিবিদ শ্ৰমিকৰ অসীম যোগান তত্ত্বৰ উদ্ভাৱক ?

(অধ্যাপক হিৰ্চমেন/ৰেগ্‌নাৰ নাৰ্ক্স/ডব্লিউ. এ. লীৱিজ)

( শুদ্ধটো বাছি উলিওৱা )

(h) Give any one example of social overhead capital.

শীৰ্ষ-সামাজিক মূলধনৰ যি কোনো এটা উদাহৰণ দিয়া।

(i) What does the capitalist surplus refer in W. A. Lewis theory?

ডব্লিউ.এ. লীৱিজৰ তত্ত্বত পুঁজিবাদী উদ্বৃত্ত কি বুজায় ?

*(j)* According to Prof. Hirschman, intermediate industries like steel and coal are expected to generate maximum linkages.

( Write True or False )

অধ্যাপক হিৰ্চমেনৰ মতে তীখা আৰু কয়লাৰ দৰে মধ্যৱৰ্তী উদ্যোগে সৰ্বাধিক সংযোগ সৃষ্টি কৰিব পাৰে।

( সত্য নে অসত্য লিখা )

**2.** Answer the following questions : 2×5=10

তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখা :

*(a)* Define economic growth.

অৰ্থনৈতিক সমৃদ্ধিৰ সংজ্ঞা দিয়া।

*(b)* What is Human Development Index?

মানৱ উন্নয়ন সূচক মানে কি?

*(c)* Mention any two drawbacks of gross domestic product as a tool to measure economic development.

অৰ্থনৈতিক বিকাশ জোখাৰ অহিলা হিচাপে মুঠ ঘৰুৱা উৎপাদনৰ যি কোনো দুটা অসুবিধা উল্লেখ কৰা।

*(d)* State two assumptions of the theory of unlimited supply of labour.

শ্ৰমিকৰ অসীম যোগান তত্ত্বটোৰ দুটা অনুমিত স্বীকাৰ্য উল্লেখ কৰা।





*(e)* Mention any two limitations of large-scale industry in the context of a developing economy.

উন্নয়নশীল দেশৰ প্ৰসঙ্গত বৃহৎ উদ্যোগৰ যি কোনো দুটা সীমাবদ্ধতা উল্লেখ কৰা।

**3.** Answer any *four* of the following : 5×4=20

তলৰ যি কোনো চাৰিটাৰ উত্তৰ লিখা :

*(a)* Describe the sources of economic growth.

অৰ্থনৈতিক সমৃদ্ধিৰ উৎসবোৰৰ বৰ্ণনা দিয়া।

*(b)* In what ways is the concept of economic development differ from economic growth?

কি কি দিশত অৰ্থনৈতিক উন্নয়ন অৰ্থনৈতিক সমৃদ্ধিতকৈ পৃথক?

*(c)* Briefly explain the concept of unbalanced growth.

অসন্তুলিত সমৃদ্ধিৰ ধাৰণাটো চমুকৈ ব্যাখ্যা কৰা।

*(d)* Mention any five merits of small-scale industrial sector in a developing economy.

উন্নয়নশীল দেশত ক্ষুদ্ৰ উদ্যোগ খণ্ডৰ যি কোনো পাঁচটা সুবিধা উল্লেখ কৰা।

*(e)* What is capital-intensive technique? Explain briefly.

মূলধন-নিবিড় কৌশল কি? চমুকৈ ব্যাখ্যা কৰা।

*(f)* State any five causes of economic underdevelopment.

অৰ্থনৈতিক অনগ্ৰসৰতাৰ যি কোনো পাঁচটা কাৰণ উল্লেখ কৰা।

**4.** Answer any *four* of the following : 10×4=40

তলৰ যি কোনো চাৰিটাৰ উত্তৰ লিখা :

*(a)* Explain how the Human Development Index attempts to measure economic development.

মানৱ উন্নয়ন সূচকৰ দ্বাৰা কিদৰে অৰ্থনৈতিক উন্নয়ন জোখাৰ প্ৰয়াস কৰা হয়, ব্যাখ্যা কৰা।

*(b)* Describe the factors responsible for economic development.

অৰ্থনৈতিক উন্নয়নক প্ৰভাৱিত কৰা কাৰকসমূহ বৰ্ণনা দিয়া।

*(c)* What is vicious circle of poverty? Explain how to break the circle of poverty as shown by Prof. Nurkse.

দৰিদ্ৰতাৰ পাকচক্ৰ কি? অধ্যাপক নাৰ্ক্সেৰ মতে দৰিদ্ৰতাৰ পাকচক্ৰ কিদৰে ভাঙিব পাৰি, ব্যাখ্যা কৰা।





*(d)* Explain the role of 'backwash effects' and 'spread effects' for increasing inequalities in an economy as shown in Myrdal's theory of cumulative causation.

মিৰ্ডালৰ cumulative causation তত্ত্বত দেখুওৱাৰ দৰে অৰ্থনীতি এখনত অসমতা বৃদ্ধিৰ ক্ষেত্ৰত 'পশ্চাদ্-প্ৰক্ষালন পৰিনাম' আৰু 'সম্প্ৰসাৰণ পৰিনাম'ৰ ভূমিকা ব্যাখ্যা কৰা।

*(e)* What is choice of technique? Argue the case for labour-intensive technique for a developing economy.

পচন্দকৌশল কি? উন্নয়নশীল দেশৰ ক্ষেত্ৰত শ্ৰম-নিবিড় কৌশলৰ সপক্ষে যুক্তি আগবঢ়োৱা।

*(f)* Critically assess the role of agriculture in economic development of a developing country like India.

ভাৰতৰ দৰে উন্নয়নশীল দেশৰ অৰ্থনৈতিক উন্নয়নৰ ক্ষেত্ৰত কৃষিৰ ভূমিকা সমালোচনাত্মকভাৱে নিৰূপণ কৰা।

*(g)* Is industrialization necessary for economic development of developing economies? Explain.

উন্নয়নশীল দেশৰ অৰ্থনৈতিক উন্নয়নৰ বাবে ঔদ্যোগীকৰণৰ প্ৰয়োজনীয়তা আছেনে? ব্যাখ্যা কৰা।

*(h)* Elaborate the concepts of development and underdevelopment.

উন্নয়ন আৰু অনগ্ৰসৰতাৰ ধাৰণা দুটা বহলাই লিখা।

★★★

**2018**

# TOURISM AND TRAVEL MANAGEMENT

( Vocational )

Paper : 5.1

**( Tourism Management )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*Answer* either *in English* or *in Assamese*

**1.** Discuss about the types of management along with their functions in tourism sector. 10

পৰ্যটনৰ ক্ষেত্ৰত ব্যৱস্থাপনাৰ প্ৰকাৰ আৰু ইয়াৰ কামসমূহৰ বিষয়ে আলোচনা কৰা।

*Or/অথবা*

Define the concept and nature of management.

ব্যৱস্থাপনাৰ সংজ্ঞা দিয়া লগতে ইয়াৰ প্ৰকৃতি কেনেকুৱা, দাঙি ধৰা।

**2.** Discuss the nature and types of planning from tourism point of view. 10

পৰ্যটন ক্ষেত্ৰখনক আগত ৰাখি পৰিকল্পনাৰ স্বৰূপ আৰু ইয়াৰ শাখাসমূহৰ বিষয়ে আলোচনা কৰা।

*Or/অথবা*

Why is management important in tourism?

পৰ্যটনত ব্যৱস্থাপনাৰ প্ৰয়োজন কি?

**3.** Explain the process of controlling and the mechanism involved in measuring the performance of a tourism organization. 10

এক পৰ্যটন সংস্থাৰ কাৰ্যপদ্ধতিক আগত ৰাখি ইয়াৰ নিয়ন্ত্ৰণৰ প্ৰক্ৰিয়া তথা কাৰ্যকুশলতাৰ মান কেনেকৈ নিৰ্ণীত হয়, ব্যাখ্যা কৰা।

*Or/অথবা*

Why is planning important for tourism development specially in a State like Assam?

অসমৰ দৰে ৰাজ্যত পৰ্যটন উন্নয়নৰ বাবে পৰিকল্পনা কিয় গুৰুত্বপূৰ্ণ?

**4.** Discuss the role of UNWTO in development of tourism worldwide. 10

বিশ্ব স্তৰত পৰ্যটন বিকাশৰ ক্ষেত্ৰত UNWTOৰ ভূমিকা আলোচনা কৰা।





*Or/অথবা*

State the components of destination management and its role in enhancing competitiveness of tourist destination.

পৰ্যটন স্থান ব্যৱস্থাপনাৰ উপাদানসমূহ কি? ই কেনেদৰে কোনো পৰ্যটন স্থানৰ গুৰুত্ব বৃদ্ধিত সহায়ক হয়, আলোচনা কৰা।

**5.** Answer any *four* questions : 10×4=40

যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া :

*(a)* Discuss the differences between operative and administrative management.

কাৰ্যকৰী আৰু প্ৰশাসনীয় ব্যৱস্থাপনাৰ মাজৰ পাৰ্থক্যসমূহ আলোচনা কৰা।

*(b)* "Assam has a rich cultural heritage." Elaborate.

"অসম এখন সমৃদ্ধ সাংস্কৃতিক ভূমি।" বহলাই লিখা।

*(c)* Write about the major international tourism organization.

প্ৰধান আন্তৰ্জাতিক পৰ্যটন সংস্থাৰ বিষয়ে লিখা।

*(d)* Write the need of risk management in tourism.

পৰ্যটন ক্ষেত্ৰত বিপদসংকুলতা ব্যৱস্থাপনাৰ প্ৰয়োজনীয়তাৰ বিষয়ে লিখা।

(e) Write the process and levels of planning.
পৰিকল্পনাৰ প্ৰক্ৰিয়া আৰু স্তৰৰ বিষয়ে লিখা।

(f) Write short notes on (any *two*) :
চমু টোকা লিখা (যি কোনো দুটা) :

(i) IATA
(ii) ITDC
(iii) ATDC

★★★





**2018**

# TOURISM AND TRAVEL MANAGEMENT

( Vocational )

Paper : 5.2

**( Tourism Resources of India )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*Answer* either *in English* or *in Assamese*

**1.** Answer the following in brief : 2×10=20
তলত দিয়াবোৰৰ চমুকৈ উত্তৰ দিয়া :

(a) Illustrate two examples of tourism and folk dance in India.
ভাৰতবৰ্ষৰ পৰ্যটন আৰু লোকনৃত্যৰ বিষয়ে দুটা উদাহৰণৰ দ্বাৰা বৰ্ণনা কৰা।

(b) Define tourist circuit with an example.
এটা উদাহৰণৰ সৈতে পৰ্যটন চক্ৰৰ সংজ্ঞা দিয়া।

(c) Name five National Parks of Assam.
অসমৰ পাঁচখন ৰাষ্ট্ৰীয় উদ্যানৰ নাম লিখা।

(d) Write a short note on Deccan Odyssey Tourist Train of India.

ভাৰতবৰ্ষৰ ডেক্কান ওডিচি পৰ্যটক ৰেলৰ বিষয়ে চমু টোকা লিখা।

(e) What do you mean by rural tourism?

গ্ৰাম্য পৰ্যটনৰ বিষয়ে কি বুজা?

(f) Mention two important museums of Eastern India with their location.

পূৱ ভাৰতৰ দুটা গুৰুত্বপূৰ্ণ সংগ্ৰহালয় আৰু তাৰ অৱস্থিতিৰ বিষয়ে উল্লেখ কৰা।

(g) State the relation between culture and tourism.

সংস্কৃতি আৰু পৰ্যটনৰ মাজৰ সম্পৰ্ক উল্লেখ কৰা।

(h) Name five Wildlife Sanctuaries of Assam.

অসমৰ পাঁচখন অভয়াৰণ্যৰ নাম লিখা।

(i) Name three land-based adventure sports from India.

ভাৰতৰ পৰিপ্ৰেক্ষিতত তিনিটা ভূমি-আধাৰিত দুঃসাহসিক ক্ৰীড়াৰ নাম লিখা।

(j) What do you mean by the concept 'homestay' in tourism?

পৰ্যটন ক্ষেত্ৰত 'homestay' বুলিলে কি বুজা?





2. Answer any *four* questions of the following : 5×4=20

তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া :

(a) Mention the folk dance forms of India and their tourism significance.

ভাৰতবৰ্ষৰ লোকনৃত্যসমূহ উল্লেখ কৰা আৰু এই লোকনৃত্যসমূহৰ পৰ্যটনকেন্দ্ৰিক তাৎপৰ্য লিখা।

(b) Discuss about few adventure sports played by the tourists.

পৰ্যটকসকলে খেলা কিছু দুঃসাহসিক খেলৰ বিষয়ে আলোচনা কৰা।

(c) Write a short note on Majuli.

মাজুলীৰ বিষয়ে এটি চমু টোকা লিখা।

(d) Give details about the tourist trains of India.

ভাৰতবৰ্ষৰ পৰ্যটন ৰেলৰ বিষয়ে সবিশেষ বৰ্ণনা কৰা।

(e) What do you mean by cultural tourism? Give example.

সাংস্কৃতিক পৰ্যটন বুলিলে কি বুজা? উদাহৰণ দিয়া।

(f) Write elaborately about two important heritage sites of Assam.

অসমৰ দুটা ঐতিহ্যমণ্ডিত স্থানৰ বিষয়ে বহলাই লিখা।

**3.** Answer any *four* of the following in detail : 10×4=40

তলৰ যি কোনো চাৰিটাৰ উত্তৰ বিশদভাৱে দিয়া :

*(a)* What do you mean by world heritage site? Write about few important monuments of India of different religions.

বিশ্ব ঐতিহ্যস্থল বুলিলে কি বুজা? ভাৰতৰ বিভিন্ন ধৰ্মৰ অনুষ্ঠানবোৰৰ সম্পৰ্কে লিখা।

*(b)* Write a short note on important sea beaches of India along with its tourism significance.

ভাৰতবৰ্ষৰ গুৰুত্বপূৰ্ণ সাগৰ তীৰৰ বিষয়ে চমু টোকা লিখা, লগতে ইয়াৰ পৰ্যটনৰ লগত থকা সম্পৰ্ক দাঙি ধৰা।

*(c)* Give an overview of major hill stations of India.

ভাৰতবৰ্ষৰ মুখ্য পৰ্বতীয়া পৰ্যটন স্থলসমূহৰ বিষয়ে লিখা।

*(d)* Define hotel and hotel chain. Give an overview of the development of hotel chains in India.

হোটেল আৰু হোটেল চেইনৰ সংজ্ঞা দিয়া। ভাৰতৰ হোটেল চেইনৰ বিকাশৰ ক্ষেত্ৰ আলোচনা কৰা।





*(e)* Discuss about tourism initiatives in ancient India.

প্ৰাচীন ভাৰতত হোৱা ভ্ৰমণ-সম্পৰ্কীয় বিকাশৰ এক খতিয়ান দাঙি ধৰা।

*(f)* Write about the 'Golden Triangle' tour of North-East India.

উত্তৰ-পূৱ ভাৰতৰ 'সোণালী ত্ৰিভুজ' ভ্ৰমণ সম্পৰ্কে লিখা।

★★★

# 2018

## ELECTIVE NEPALI

Paper : 5.1

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

1. छोटकरीमा उत्तर लेख्नुहोस् : 1×10=10

(क) 'कला' भनेको के हो?

(ख) 'पवित्रा' कथाका मुख्य पुरुष पात्र को हुन्?

(ग) काले दमाईको छोराको नाम के हो?

(घ) "पृथ्वी भोगटेजस्तो ____ छ।"
माथिको खाली ठाउँ पूरा गनुहोस्।

(ङ) बीरेकी बहिनीको नाम के हो?

(च) 'ब्रेल' भनेको के हो?

(छ) पाठ्यक्रम अन्तर्गत इन्द्रकुमार शर्माले लेखेको निबन्धको नाम के हो?

(ज) 'वीरगतिको धोको' निबन्धका निबन्धकार को हुन्?

(झ) 'माछाको मोल' कथाको मुख्य पात्र को हो?

(ञ) "आइ० ए०, बी० ए० पढनेहरूले फुटानी गर्नु पर्दैन।" यो वाक्य कुन निबन्धको हो?

**2.** संक्षेपमा उत्तर लेख्नुहोस् : 2×5=10

(क) 'किपट'-मा उल्लिखित दुई दाज्यु-भाइ को-को हुन्?

(ख) लक्ष्मीप्रसाद देवकोटाका कुनै दुई निबन्ध सङ्ग्रहको नाम लेख्नुहोस्।

(ग) "दाज्यू! ऋण-पान गरेर भए एउटा मुँगाको चोलो आमालाई हालिदेऊ है।" यो वाक्य कसले कसलाई भनेको हो?

(घ) रनेको जालोमा के-के माछाहरू परेका थिए?

(ङ) "आएका मानिसलाई त्यसरी फर्काउन हुन्न। यो बानी बडो नजाती हो।"
उक्त कथन कसले कसलाई भनेको हो?

**3.** कुनै **चार** प्रश्नको उत्तर दिनुहोस् : 5×4=20

(क) 'शहीद' कथामा देवताबाबुको भूमिकाबारे स्पष्ट पार्नुहोस्।

(ख) कलाका मुख्य गुणहरू के-के हुन्? 'कला र जीवन' निबन्धका आधारमा व्यक्त गर्नुहोस्।

(ग) 'पवित्रा' कथाबाट केशवदेवको परिचय प्रस्तुत गर्नुहोस्।

(घ) "यो टाउको होइन, टोपीको स्ट्याण्ड पो हो त!" 'टाउको' निबन्धको आधारमा यस आशयलाई स्पष्ट पार्नुहोस्।

(ङ) 'माछाको मोल' कथामा मुख्य पात्रको मृत्यु कसरी भयो? वर्णन गर्नुहोस्।

(च) शङ्कर लामिछानेको निबन्धात्मक परिचय दिनुहोस्।





**4.** कुनै **चार** प्रश्नको उत्तर लेख्नुहोस् : 10×4=40

(क) लीलबहादुर क्षत्रीको कथाकारिताबारे स्पष्ट पार्नुहोस्।

(ख) 'तारापुञ्ज : अन्धाको ब्रेल' निबन्धको मुख्य आशय कस्तो प्रकारको रहेको छ? विवेचना गर्नुहोस्।

(ग) कथातत्त्वका आधारमा 'किपट' कथाको विश्लेषण गर्नुहोस्।

(घ) 'पढेको मूर्ख' निबन्धको व्यङ्ग्यात्मक पक्षलाई स्पष्ट पार्नुहोस्।

(ङ) 'शहीद' कथाको आदि, मध्य, उत्कर्ष र अन्त्य कस्तो प्रकारको रहेको छ? विवेचना गर्नुहोस्।

(च) लक्ष्मीप्रसाद देवकोटाको निबन्धात्मक प्रवृत्तिहरूको छलफल गर्नुहोस्।

(छ) 'लक्ष्मीपूजा' कथामा बाल मनोस्थितिको विश्लेषण कसरी प्रस्तुत गरिएको छ? छलफल गर्नुहोस्।

(ज) रामकृष्ण शर्माको निबन्धकारिताको पहिचान गर्नुहोस्।

★★★

# 2018

## ASSAMESE

### ( Elective )

Paper : 5.1

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। এটা শব্দ বা বাক্যত উত্তৰ দিয়া : ১×১০=১০

(ক) ১ নং চৰ্যাপদৰ ৰচক লুইপাদ কোন অঞ্চলৰ লোক আছিল ?

(খ) 'নন্দোৎসৱ' কবিতাটি কোনখন গ্ৰন্থৰ পৰা সংগৃহীত ?

(গ) 'কাণখোৱা'ৰ বাহিৰে শ্ৰীধৰ কন্দলিৰ ৰচিত অন্য এখন গ্ৰন্থৰ নাম লিখা।

(ঘ) 'উষা-পৰিণয়' কাব্যৰ ৰচক কোন ?

(ঙ) 'ৰংপুৰ নগৰৰ বৰ্ণনা' কবিতাটি কোনখন গ্ৰন্থৰ পৰা লোৱা হৈছে ?

(চ) অসমীয়া সাহিত্যত 'ব্যাস'ৰূপে কোনগৰাকী কবিক অভিহিত কৰা হয় ?

(ছ) নলিনীবালা দেৱীয়ে কোনখন কাব্যগ্ৰন্থৰ বাবে সাহিত্য অকাডেমি বঁটা লাভ কৰিছিল ?

(জ) ৰঘুনাথ চৌধাৰী ৰচিত কথা-কবিতা পুথিখনৰ নাম কি ?

(ঝ) অসমীয়া কবিতাত কোনগৰাকী কবিয়ে পোনপ্ৰথমে নাটকীয় স্বগতোক্তিৰ প্ৰয়োগ কৰিছিল ?

(ঞ) পৌৰাণিক চৰিত্ৰক আধাৰ হিচাপে লৈ নৱকান্ত বৰুৱাই ৰচনা কৰা এটি কবিতাৰ নাম লিখা।

২। চমুকৈ উত্তৰ দিয়া : ২×৫=১০

(ক) হৰপ্ৰসাদ শাস্ত্ৰীয়ে নেপালৰ ৰাজদৰবাৰৰ গ্ৰন্থালয়ৰ পৰা সংগ্ৰহ কৰা বৌদ্ধ গানসমূহ কি নামেৰে, কোন চনত গ্ৰন্থাকাৰে প্ৰকাশ কৰিছিল ?

(খ) চিত্ৰলেখাই পট নিৰ্মাণ কৰাৰ পূৰ্বে কাৰ ওচৰলৈ গৈ কি বৰ মাগিছিল ?

(গ) যতীন্দ্ৰনাথ দুৱৰাৰ 'ওমৰ তীৰ্থ' নামৰ অনুবাদ গ্ৰন্থখনৰ মূল কবিগৰাকীৰ আৰু কাব্যগ্ৰন্থখনৰ নাম লিখা।

(ঘ) নলিনীবালা দেৱী কোন যুগৰ কবি ? তেওঁৰ কবিতাৰ মূল সুৰটো কি ?

(ঙ) নিৰ্মলপ্ৰভা বৰদলৈয়ে 'দ্ৰৌপদী' কবিতাটিত সৌন্দৰ্য ক'ত ক'ত লুকাই থাকে বুলি কৈছে ?





৩। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ কৰা : ৫×৪=২০

(ক) নন্দৰ ঘৰত পুত্ৰ উপজাৰ বতৰা শুনি গোপীগণে কেনেদৰে সাজি-কাচি নন্দৰ ঘৰলৈ গৈছে, বৰ্ণনা কৰা।

(খ) সপোন স্বামীক হেৰুৱাই বিৰহ-বিহ্বলা হোৱা উষাক চিত্ৰলেখাই কেনেদৰে সান্ত্বনা দিছে, লিখা।

(গ) "এৰি দুৰ্যোধনক অনায়ো পাণ্ডৱক।
ময়ূৰক ৰাখি ৰাজা এৰিয়ো কাকক॥"

উক্ত কথাষাৰি বিদুৰে কি পৰিস্থিতিত ধৃতৰাষ্ট্ৰক ক'বলগীয়া হৈছিল, বুজাই লিখা।

(ঘ) 'কেতেকী' কবিতাটিত কবিয়ে কেতেকী চৰাইজনীক কিয় 'নিৰাশাৰ আশা' বুলি কৈছে, বহলাই লিখা।

(ঙ) কবি দেৱকান্ত বৰুৱাৰ 'আমি দুৱাৰ মুকলি কৰোঁ' কবিতাটিত বিশ্বৰ বিভিন্ন ঠাইৰ প্ৰসংগ কিদৰে উত্থাপন কৰিছে, আলোচনা কৰা।

(চ) নৱকান্ত বৰুৱাৰ 'পলস' কবিতাটিৰ তাৎপৰ্য বিশ্লেষণ কৰা।

৪। (ক) লুইপাদৰ ১নং চৰ্যাপদটিৰ অন্তৰ্নিহিত ভাব তোমাৰ ভাষাৰে বৰ্ণনা কৰা। ১০

*অথবা*

(খ) শ্ৰীধৰ কন্দলিৰ 'কাণখোৱা' কবিতাটিত ভগৱানৰ অৱতাৰৰ বৰ্ণনা কিদৰে দাঙি ধৰিছে, আলোচনা কৰা। ১০

৫। (ক) ‘ৰংপুৰ নগৰৰ বৰ্ণনা’ শীৰ্ষক কবিতাটিত কবিয়ে ৰংপুৰ নগৰৰ বিৱৰণ কিদৰে দিছে, তোমাৰ ভাষাৰে লিখা। ১০

অথবা

(খ) ‘ধৃতৰাষ্ট্ৰ-বিদূৰ সংবাদ’ কবিতাটিৰ আধাৰত ধৃতৰাষ্ট্ৰ আৰু বিদূৰ চৰিত্ৰ দুটাৰ বিশ্লেষণ আগবঢ়োৱা। ১০

৬। (ক) ‘সোণোৱালী দেশ’ কবিতাটিত আশাবাদ আৰু নিৰাশাবাদ কিদৰে ফুটি উঠিছে, আলোচনা কৰা। ১০

অথবা

(খ) নলিনীবালা দেৱীৰ ‘পৰম তৃষ্ণা’ কবিতাটি অতীন্দ্ৰিয়বাদী কবিতা হিচাপে বিচাৰ কৰা। ১০

৭। (ক) নিৰ্মলপ্ৰভা বৰদলৈৰ ‘দ্ৰৌপদী’ কবিতাটিত নাৰী মনস্তত্ত্ব কেনেদৰে প্ৰকাশ পাইছে, ফঁহিয়াই দেখুওৱা। ১০

অথবা

(খ) দেৱকান্ত বৰুৱাক কিয় ‘যুগ-সন্ধিৰ কবি’ বা ‘দোমোজাৰ কবি’ বুলি কোৱা হয়, ‘আমি দুৱাৰ মুকলি কৰোঁ’ শীৰ্ষক কবিতাটিৰ আলমত বিশ্লেষণ কৰা। ১০

★★★





# 2018

## HINDI

## ( Elective )

Paper : 5.1

**( Hindi Sahitya Ka Itihas )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

**1.** पूर्ण वाक्य में उत्तर दीजिए : 1×10=10

(क) हिन्दी साहित्य के आदिकाल को ‘सिद्ध-सामंत काल’ नाम किसने दिया है?

(ख) ‘दोहाकोश’ किसकी रचना है?

(ग) ‘गोरख बानी’ में किसकी रचनाएँ संकलित हैं?

(घ) ‘बीसलदेव रासो’ के रचनाकार का नाम लिखिए।

(ङ) कबीरदास की रचनाओं के संग्रह का क्या नाम है?

(च) सूरदास के गुरु का नाम लिखिए।

(छ) ‘रामचरितमानस’ किसकी रचना है?

(ज) कवि केशवदास का जन्म-सन् लिखिए।

(झ) रीति-सिद्ध कवि किसे कहा जाता है?

(ञ) कवि हरिश्चंद्र को भारतेन्दु की उपाधि कब मिली?

**2.** निम्नलिखित प्रश्नों के अति संक्षिप्त उत्तर दीजिए : 2×5=10

(क) आदिकालीन किन्हीं दो रचनाओं के नाम लिखिए।

(ख) किन्हीं दो संत कवियों का नामोल्लेख कीजिए।

(ग) तुलसीदास की प्रामाणिक कृतियों की संख्या का उल्लेख करते हुए किन्हीं दो के नाम लिखिए।

(घ) किन्हीं दो रीतिबद्ध कवियों की एक-एक पुस्तक का नामोल्लेख कीजिए।

(ङ) छायावाद के चार प्रतिनिधि हस्ताक्षर कौन-कौन हैं?

**3.** निम्नलिखित प्रश्नों में से किन्हीं **चार** के उत्तर संक्षेप में दीजिए : 5×4=20

(क) आदिकालीन राजनैतिक परिस्थिति पर प्रकाश डालिए।

(ख) कृष्ण भक्त कवि सूरदास पर एक टिप्पणी लिखिए।

(ग) रीतिकालीन रीतिमुक्त काव्यधारा की विशेषताएँ लिखिए।

(घ) कवि घनानंद के योगदान की चर्चा कीजिए।

(ङ) भारतेन्दु-मंडल के कवियों की देन पर प्रकाश डालिए।

(च) जयशंकर प्रसाद के साहित्यिक योगदान की चर्चा कीजिए।





**4.** आदिकाल की प्रवृत्तियों के बारे में विश्लेषण कीजिए। 10

**अथवा**

आदिकाल के नामकरण की समस्या पर प्रकाश डालिए।

**5.** भक्तिकाल की सामान्य प्रवृत्तियों का विश्लेषण कीजिए। 10

**अथवा**

रामभक्ति-परम्परा में तुलसीदास का स्थान निर्धारित कीजिए।

**6.** रीतिकालीन सामाजिक-साहित्यिक परिस्थितियों के बारे में लिखिए। 10

**अथवा**

रीतिकालीन काव्य-प्रवृत्तियों का विश्लेषण कीजिए।

**7.** भारतेन्दुयुगीन काव्य की विशेषताएँ लिखिए। 10

**अथवा**

आधुनिककालीन हिन्दी काव्य-जगत् में छायावाद की देन पर प्रकाश डालिए।

★★★

**2018**

SANSKRIT

( General )

Paper : 5.1

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

1. Answer the following questions as directed : 1×10=10

নির্দেশ অনুসৰি তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখাঁ :

(a) The plot of the drama, *Abhijñāna-śakuntalam* is derived from the *Rāmāyaṇa* / *Mahābhārata* / *Bhāgavata*.

( Choose the correct answer )

'অভিজ্ঞানশকুন্তলম্' নাটকখনিৰ কাহিনীভাগ 'ৰামায়ণ' / 'মহাভাৰত' / 'ভাগবত'ৰ পৰা লোৱা হৈছে।

( শুদ্ধ উত্তৰটি বাছি উলিওৱাঁ )

*(b)* Who was the foster father of Śakuntalā?
শকুন্তলাৰ পালিত পিতৃ কোন আছিল ?

*(c)* Who was Sarvadamana?
সৰ্বদমন কোন আছিল ?

*(d)* Name a drama authored by Kālidāsa other than *Abhijñānaśakuntalam*.
'অভিজ্ঞানশকুন্তলম্'ৰ বাহিৰে কালিদাসে লিখা আন এখন নাটকৰ নাম লিখাঁ।

*(e)* The Nāndī Verse of *Abhijñānaśakuntalam* is written in _____ metre.
( Fill in the blank )
'অভিজ্ঞানশকুন্তলম্' নাটকৰ নান্দী শ্লোকটি _____ ছন্দত ৰচিত।
( খালী ঠাই পূৰণ কৰাঁ )

*(f)* Write another name of Bhīmasena.
ভীমসেনৰ অন্য এটি নাম কি ?

*(g)* What is the meaning of the term 'महीभुज'?
'महीभुज' শব্দটিৰ অৰ্থ কি ?

*(h)* How many Sargas are there in the Mahākāvya *Kirātārjunīyam*?
'কিৰাতাৰ্জুনীয়ম্' মহাকাব্যত কেইটা সৰ্গ আছে ?





*(i)* Who is Dhanañjaya?
ধনঞ্জয় কোন ?

*(j)* Which Sarga of *Kirātārjunīyam* is your text?
'কিৰাতাৰ্জুনীয়ম্'ৰ কোনটো সৰ্গ তোমাৰ পাঠ্য ?

**2.** Answer the following questions : 2×5=10
তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখাঁ :

*(a)* "क्व भूपतीनां चरितं क्व जन्तवः"
What is meant by the two 'क्व' words?
দুটা 'क्व' শব্দই কি বুজায় ?

*(b)* "न प्रभातरलं ज्योतिरुदेति वसुधातलात्"
Who said this and why?
কথাষাৰি কোনে আৰু কিয় কৈছিল ?

*(c)* Write any two features of the character of Duṣyanta.
দুষ্যন্তৰ চৰিত্ৰৰ যি কোনো দুটা বৈশিষ্ট্য লিখাঁ।

*(d)* What is 'अरिषड्वर्ग'?
'अरिषड्वर्ग' মানে কি ?

*(e)* What are 'त्रिगण's?
'त्रिगण'সমূহ কি কি ?

3. Translate into English *or* Assamese any *one* of the following : 5

তলৰ যি কোনো এটা ইংৰাজী বা অসমীয়ালৈ অনুবাদ কৰাঁ :

*(a)* सरसिजमनुविद्धं शैवलेनापि रम्यं
मलिनमपि हिमांशोर्लक्ष्म लक्ष्मीं तनोति।
इयमधिकमनोज्ञा वल्कलेनापि तन्वी
किमिव हि मधुराणां मण्डनं नाकृतीनाम्।।

*(b)* वैखानसं किमनया व्रतमाप्रदाना-
द्व्यापाररोधि मदनस्य निषेवितव्यम्।
अत्यन्तमेव सदृशेक्षणवल्लभाभि-
राहो निवत्स्यति समं हरिणाङ्गनाभिः।।

4. Answer any *one* of the following questions : 5

তলৰ যি কোনো এটা প্ৰশ্নৰ উত্তৰ লিখাঁ :

*(a)* "मृगानुसारिणं साक्षात् पश्यामीव पिनाकिनम्।"

Who is the speaker here? Narrate the story alluded to here.

কথাষাৰীৰ বক্তা কোন ? ইয়াত নিহিত হৈ থকা কাহিনীটো লিখাঁ ।

*(b)* Elucidate the idea contained in the following line :

তলত দিয়া বাক্যশাৰীৰ ভাব বহলাই লিখাঁ :

"ध्रुवं स नीलोत्पलपत्रधारया शमीलतां छेत्तुमृषिर्व्यवस्यति।"





5. Answer any *two* of the following questions : 10×2=20

তলৰ যি কোনো দুটা প্ৰশ্নৰ উত্তৰ লিখাঁ :

*(a)* Discuss the significance of the curse of Durvāsā in the drama, *Abhijñāna-śakuntalam.*

'অভিজ্ঞানশকুন্তলম্' নাটকত দুৰ্বাসাৰ শাপৰ তাৎপৰ্য্য আলোচনা কৰাঁ ।

*(b)* Sketch the character of Śakuntalā.

শকুন্তলাৰ চৰিত্ৰটি অংকন কৰাঁ ।

*(c)* Give the summary of the Act I of the drama, *Abhijñanaśakuntalam.*

'অভিজ্ঞানশকুন্তলম্' নাটকৰ প্ৰথম অংকৰ কথাবস্তু চমুকৈ আলোচনা কৰাঁ ।

6. Translate into English *or* Assamese any *one* of the following : 5

তলৰ যি কোনো এটা ইংৰাজী বা অসমীয়ালৈ অনুবাদ কৰাঁ :

*(a)* श्रियः कुरूणामधिपस्य पालनीं
प्रजासु वृत्तिं यमयुङ्क्त वेदितुम्।
स वर्णिलिङ्गी विदितः समाययौ
युधिष्ठिरं द्वैतवने वनेचरः।।

*(b)* स किंसखा साधु न शास्ति योऽधिपं
हितान्न यः संशृणुते स किम्प्रभुः।
सदानुकूलेषु हि कुर्वते रतिं
नृपेष्वमात्येषु च सर्वसम्पदः॥

7. Expound the idea contained in any *one* of the following : 5

তলৰ যি কোনো এটাৰ ভাব বহলাই লিখাঁ :

*(a)* वरं विरोधोऽपि समं महात्मभिः।

*(b)* प्रवृत्तिसाराः खलु मादृशां गिरः।

8. Answer any *two* of the following questions : 10×2=20

তলৰ যি কোনো দুটা প্ৰশ্নৰ উত্তৰ লিখাঁ :

*(a)* Present a discussion on the speech of Draupadī as you find in the *Kirātārjunīyam*, Canto I.

'কিৰাতাৰ্জুনীয়ম্'ৰ প্ৰথম সৰ্গত পোৱা দ্ৰৌপদীৰ উক্তিৰ এটি আলোচনা আগবঢ়োৱাঁ।

*(b)* Critically analyse the statement "भारवेरर्थगौरवम्".

"भारवेरर्थगौरवम्" কথাষাৰীৰ সমালোচনাত্মক বিশ্লেষণ আগবঢ়োৱাঁ।





*(c)* Write about the administrative policy of Duryodhana as found in the First Canto of *Kirātārjunīyam*.

'কিৰাতাৰ্জুনীয়ম্'ৰ প্ৰথম সৰ্গত বৰ্ণনা কৰা মতে দুৰ্যোধনৰ শাসন পদ্ধতিৰ বিষয়ে লিখাঁ।

★★★

# 2018

## SANSKRIT

## ( General )

Paper : 5.2

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

1. Answer any *two* of the following questions : 10×2=20

তলত দিয়া যি কোনো দুটা প্ৰশ্নৰ উত্তৰ লিখাঁ :

(a) Present a discussion on the salient features of any one of the dramas of Bhavabhūti.

ভৱভূতি বিৰচিত যি কোনো এখন নাটকৰ সাধাৰণ বৈশিষ্ট্যসমূহৰ ওপৰত এটি আলোচনা আগবঢ়োৱাঁ।

(b) Prepare a note on the dramas of Kālidāsa.

কালিদাসৰ নাটকসমূহৰ বিষয়ে এটি টোকা প্ৰস্তুত কৰাঁ।

(c) Write what you know about Sanskrit fable literature with special reference to *Hitopadeśa.*

'হিতোপদেশ' গ্ৰন্থৰ বিশেষ উল্লেখেৰে সংস্কৃত গল্প-সাহিত্যৰ বিষয়ে কি জানা, লিখাঁ।

(d) "বাণোচ্ছিষ্টং জগত্ সৰ্বম্।"

Bring out the truth of the said statement with special reference to the content of prose-romances of Bāṇabhaṭṭa.

বাণভট্টৰ গদ্য-কাব্যৰ আধাৰত উক্ত বাক্যশাৰীৰ সত্যতা নিৰূপণ কৰাঁ।

2. Write a short note on any *one* of the following :

তলত দিয়া যি কোনো এটাৰ বিষয়ে চমু টোকা লিখাঁ :

(a) কাদম্বরী

(b) বাসবদত্তা

(c) স্বপ্নবাসবদত্তম্

3. Answer the following as directed : 1×5=5

নিৰ্দেশানুসৰি তলত দিয়াবোৰৰ উত্তৰ লিখাঁ :

(a) Write the name of one drama of Bhāsa based on the story of the *Mahābhārata.*

ভাসে ৰচনা কৰা 'মহাভাৰত'ৰ ওপৰত আধাৰিত এখন নাটকৰ নাম লিখাঁ।





(b) Write the name of one Khaṇḍakāvya written by Kālidāsa.

কালিদাসে ৰচনা কৰা এখন খণ্ডকাব্যৰ নাম লিখাঁ।

(c) Who is the author of *Hitopadeśaḥ*?

'হিতোপদেশ'ৰ ৰচক কোন?

(d) *Mahāvīracaritam* is a drama written by Śūdraka.

( Rewrite the sentence correctly )

'মহাবীৰচৰিতম্' শূদ্ৰকে ৰচনা কৰা এখন নাটক।

( বাক্যটো শুদ্ধ কৰি লিখাঁ )

(e) Who is the author of *Daśakumāracaritam*?

'দশকুমাৰচৰিতম্'ৰ ৰচক কোন?

4. Describe the glory of ancient Kāmarūpa as depicted in the *Satī Jaymatī* Kāvya. 10

'সতী জয়মতী' কাব্যত বৰ্ণিত ধৰণৰে পুৰণি কামৰূপৰ গৌৰৱৰ বিষয়ে বৰ্ণনা কৰাঁ।

*Or / অথবা*

Prepare a note on the content of the First Pravāha of the *Satī Jaymatī* Kāvya.

'সতী জয়মতী' কাব্যৰ প্ৰথম প্ৰৱাহৰ কথাবস্তুৰ ওপৰত এটি টোকা প্ৰস্তুত কৰাঁ।

**5.** **Translate any *one* of the following :**

তলত দিয়া যি কোনো এফাঁকি অনুবাদ কৰাঁ :

*(a)* अथ सुरपतिरस्या ज्ञातवान् वै समस्तम्
निजजननकुलस्य स्वर्गिणः संदिदेश।
अधिकुरुत कुलीना मर्त्त्यजन्म प्रगृह्य
नियतिनटनमश्वं कामरूपप्रदेशम्॥

*(b)* शतशरदमतीत्य पार्थिवः सिंहवीर्य्यः
सुरसदनमयासीद्भक्तिमान् शाक्यसिंहे।
शिशिरकमलतुल्यं सर्व्वसारैर्व्विहीनं
यत इह नरदेहं कालदण्डैर्व्विदीर्णम्॥

**6.** **Explain any *one* of the following :**

তলত দিয়া যি কোনো এফাঁকি ব্যাখ্যা কৰাঁ :

*(a)* घटकनरकवाणा नारकेयः सुधन्वा
कमतनृपतिमुख्या राजवृन्दा वरेण्याः।
भरतजनपराज्ये भारते ख्यातवीर्य्या
मणिमरकतचित्रां कामभूमिं शशासुः॥

*(b)* अविजयत ततोऽसौ भूमिपालो विजिष्णु-
र्बहुनरपतिवर्गान् कामपीठे प्रसन्नान्।
युवकयुवतिमुख्या बालवृद्धप्रवीणा
धवलितयश ऊचुस्तस्य चात्रप्रदेशे॥





**7.** Fill in the blanks : 1×5=5

খালী ঠাই পূৰণ কৰাঁ :

_____ _____ _____
शुभतनयसमूहा आविरासन् जनन्याः।
विमलसलिलधन्यो _____ सुपुत्रः
_____ शोभतेऽद्यापि भूमौ॥

**8.** Answer any *one* of the following questions : 5

তলত দিয়া প্ৰশ্নসমূহৰ যি কোনো এটাৰ উত্তৰ লিখাঁ :

*(a)* Mention two powerful kings of ancient Kāmarūpa as noted in the *Satī Jaymatī* Kāvya.

'সতী জয়মতী' কাব্যখনত বৰ্ণিত পুৰণি কামৰূপৰ দুজন শক্তিশালী নৃপতিৰ বিষয়ে লিখাঁ।

*(b)* Present a brief picture of the marriage ceremony of Gadāpāṇi and Jaymatī as stated in the *Satī Jaymatī* Kāvya.

'সতী জয়মতী' কাব্যত প্ৰাপ্ত বৰ্ণনা অনুসৰি গদাপাণি আৰু জয়মতীৰ বিবাহ উৎসৱৰ সংক্ষিপ্ত ছবি এখন দাঙি ধৰাঁ।

9. Elucidate the idea contained in the following : 2+2=4

তলৰ উক্তিসমূহৰ ভাৱ-সম্প্ৰসাৰণ কৰাঁ :

(a) ज्ञानलवदुर्विदग्धं ब्रह्माऽपि नरं न रञ्जयति।

(b) सत्सङ्गतिः कथय किं न करोति पुंसाम्।

10. Quote from your memory the verses from the *Nītiśataka* in which the poet *(a)* points out the permanent ornament of a man and *(b)* speaks of the beast without tail and horn. 2+2=4

'নীতিশতক'ত কবিয়ে *(a)* পুৰুষৰ চিৰস্থায়ী অলঙ্কাৰৰ বিষয়ে আৰু *(b)* নেজ আৰু শিঙবিহীন পশুৰ বিষয়ে উল্লেখ থকা শ্লোক দুটা মুখস্থ লিখাঁ।

11. Prepare an exhaustive discussion on the importance of moral teachings of the *Nītiśataka* in present society. 10

বৰ্তমান সমাজত 'নীতিশতক'ৰ নীতিশিক্ষাবোৰৰ প্ৰয়োজনীয়তা সম্বন্ধে এটি বিশদ আলোচনা প্ৰস্তুত কৰাঁ।

*Or / অথবা*

Write an introductory note on the *Nītiśataka* and its author.

'নীতিশতক' গ্ৰন্থখন আৰু ইয়াৰ গ্ৰন্থকাৰৰ বিষয়ে এটি পৰিচয়াত্মক টোকা লিখাঁ।





12. Fill in the blanks : 2

খালী ঠাই পূৰণ কৰাঁ :

वरं _____ भ्रान्तं वनचरैः सह।
न मूर्खजनसम्पर्कः _____ ॥

★★★

**2018**

# SOCIOLOGY

( General )

Paper : 5.1

**( Sociology in India—I )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*Answer* either *in English* or *in Assamese*

**1.** Choose the correct answer : 1×10=10

শুদ্ধ উত্তৰটো বাচি উলিওৱা :

(*a*) ______ kins are those who are related by blood.

______ হ'ল স্বজন, যিয়ে ৰক্তৰে জড়িত।

(*i*) Affinal / বিবাহসূত্রীয় স্বজন

(*ii*) Consanguineous / সমৰক্তীয় স্বজন

(*iii*) Fictive / কাল্পনিক স্বজন

(*iv*) Sister-in-law / খুলশালী

(b) The book, *Six Villages of Bengal* is written by

*Six Villages of Bengal* কিতাপখন লিখিছিল

(i) A. M. Shah

এ. এম. শ্বাহ

(ii) Patricia Uberoi

পেট্ৰিচিয়া ওবেৰয়

(iii) Virginius Xaxa

ভাৰ্জিনিয়াচ ষাষা

(iv) Ramkrishna Mukherjee

ৰামকৃষ্ণ মুখাৰ্জী

(c) _______ is associated with Delhi School of Sociology.

_____ Delhi School of Sociology-ৰ সৈতে জৰিত।

(i) G. S. Ghurye

জি. এচ. ঘূৰে

(ii) N. K. Bose

এন. কে. বোস

(iii) Andre Beitelle

এন্দ্ৰে বেটে

(iv) Radha Kamal Mukherjee

ৰাধা কমল মুখাৰ্জী



( Continued )



(d) ______ tribe has matrilocal residence.

______ জনগোষ্ঠীৰ বাসস্থান মাতৃস্থানীয়।

(i) Bodo / বড়ো

(ii) Kuki / কুকি

(iii) Hmar / মাৰ

(iv) Garo / গাৰো

(e) ______ is an achieved category.

_____ হ'ল এটা প্ৰাপ্ত আহৰণ।

(i) Ph.D / পি.এইচ.ডি.

(ii) Caste / জাতি

(iii) Religion / ধৰ্ম

(iv) Race / বৰ্ণ

(f) S. C. Dube is associated with the study of ______ tribe.

এচ. চি. ডুবে _____ জনগোষ্ঠীৰ অধ্যয়নৰ সৈতে জড়িত।

(i) Ho / হো

(ii) Kamar / কমাৰ

(iii) Munda / মুণ্ডা

(iv) Naga / নাগা



( Turn Over )

(g) The concept of 'Sanskritization' was given by ______.

'সংস্কৃতিকৰণৰ' ধাৰণাটো আগবঢ়াই ছিল ____ য়ে।

(i) Surajit Sinha / সুৰজিত শিনহা

(ii) A. R. Desai / এ. আৰ. দেশাই

(iii) M. N. Srinivas / এম. এন. শ্রীনিবাস

(iv) Irawati Karve / ইৰাৱতী কার্ভে

(h) ______ is a housing scheme for rural poor in India.

গাঁওৰ দুখীয়া মানুহৰ বাবে ____ এক আবাস যোজনা।

(i) Swarnjayanti Gram Swarozgar Yojana

স্বর্ণজয়ন্তী গ্রাম স্বৰোজগাৰ যোজনা

(ii) Pradhan Mantri Gramin Awaas Yojana

প্রধান মন্ত্রী গ্রামীণ আবাস যোজনা

(iii) Antyodaya Anna Yojana

অন্ত্যোদয়া অন্ন যোজনা

(iv) Beti Bachao Beti Padhao Yojana

বেটী বচাও বেটী পঢ়াও যোজনা





(i) According to 2011 Census, _____ is the most populous tribe of India.

২০১১ পিয়লৰ মতে ____ ভাৰতৰ অতি জনবহুল জনগোষ্ঠী।

(i) Gond / গোন্দ

(ii) Nayar / নায়াৰ

(iii) Bhil / ভিল

(iv) Hajong / হাজং

(j) Which of the following does not belong to twice-born castes?

তলৰ কোনটো জাতি দ্বজাতিত নপৰে ?

(i) Sudra / শূদ্র

(ii) Brahmin / ব্রাহ্মণ

(iii) Kshatriya / ক্ষত্রিয়

(iv) Vaishya / বৈশ্য

**2.** Answer the following questions : 2×5=10

তলত দিয়া প্রশ্নসমূহৰ উত্তৰ দিয়া :

(a) What is the difference between caste and tribe?

জাতি আৰু জনজাতিৰ মাজত কি পার্থক্য আছে?

(b) Define kinship.

স্বজনৰ সংজ্ঞা দিয়া।

(c) Mention two of the religious texts of Hinduism.

হিন্দু ধর্মৰ দুখন ধর্মগ্রন্থৰ নাম লিখা।

(d) Mention two characteristics of tribal community in India.

ভাৰতত জনগোষ্ঠীৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা।

(e) What is the difference between matrilocal and patrilocal residence?

মাতৃস্থানীয় আৰু পিতৃস্থানীয় বাসগৃহৰ মাজত পাৰ্থক্য কি, লিখা।

**3.** Write short notes on any *four* of the following : 5×4=20

তলত দিয়া যি কোনো **চাৰিটাৰ** চমু টোকা লিখা :

(a) Colonial writings on Indian society

ভাৰতীয় সমাজৰ ওপৰত উপনিৱেশিক ৰচনা

(b) Dominant caste

প্ৰভুত্বশালী জাতি

(c) Village studies in India

ভাৰতত গ্ৰাম্য অধ্যয়ন

(d) Matrilineal and patrilineal descent

মাতৃসূত্ৰীয় আৰু পিতৃসূত্ৰীয় গোত্ৰ

(e) Social mobility

সামাজিক গতিশীলতা

(f) Class

শ্ৰেণী





**4.** Answer any *four* of the following : 10×4=40

তলত দিয়া যি কোনো **চাৰিটাৰ** উত্তৰ দিয়া :

(a) Discuss the contributions of Lucknow School in the development of sociology in India.

ভাৰতীয় সমাজতত্ত্ব বিকাশত লক্ষ্নৌ চিন্তাগোষ্ঠীৰ অৱদানসমূহ আলোচনা কৰা।

(b) Write an essay on the Indological perspective on Indian society.

ভাৰতীয় সমাজৰ ওপৰত থকা ভাৰততাত্ত্বিক দৃষ্টিভংগীৰ বিষয়ে এখন ৰচনা লিখা।

(c) Is caste changing in modern India? Comment.

আধুনিক ভাৰতত জাতিৰ কিবা পৰিৱৰ্তন হৈছেনে? মন্তব্য আগবঢ়োৱা।

(d) Are tribes in transition? Discuss.

জনজাতিৰ ৰূপান্তৰকৰণ হৈছেনে? আলোচনা কৰা।

(e) Write an essay on religion of India.

ভাৰতৰ ধৰ্মৰ বিষয়ে এখন ৰচনা লিখা।

(f) Is 'casteism' an obstacle in the development of the country? Comment.

উন্নয়নৰ পথত 'জাতিবাদ' হেঙাৰ হিচাপে থিয় দিয়েনেকি? মন্তব্য আগবঢ়োৱা।

(g) Is family changing in modern India? Comment.

আধুনিক ভাৰতত পৰিয়ালৰ পৰিৱৰ্তন হৈছেনেকি? মন্তব্য আগবঢ়োৱা।

(h) Can social mobility improve one's class position? Comment.

সামাজিক গতিশীলতায়ে শ্ৰেণীগত স্থান উন্নত কৰেনে? মন্তব্য আগবঢ়োৱা।

★★★





**2018**

SOCIOLOGY

( General )

Paper : 5.2

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*Answer* either *in English* or *in Assamese*

**1.** Answer the following as directed : 1×10=10

তলত দিয়াসমূহ নিৰ্দেশ অনুযায়ী উত্তৰ দিয়া :

(a) Who is the author of the book, *Gender and Politics in India*?

*Gender and Politics in India* নামৰ গ্ৰন্থখনৰ লেখক কোন?

(b) Who is the propounder of the concept 'Sanskritization'?

'সংস্কৃতিকৰণ' পদটোৰ ৰচক কোন?

(c) Define evolution.

বিৱৰ্তনৰ সংজ্ঞা দিয়া।

(d) Name one Peasant Movement of Assam.

অসমৰ এটা কৃষক আন্দোলনৰ নাম লিখা।

(e) The term 'subaltern' was coined by

'অধীনস্থ' পদটোৰ ৰচক হ'ল

(i) Karl Marx / কাৰ্ল মাৰ্ক্স

(ii) D. Hardiman / দি. হাৰ্ডিমেন

(iii) Surajit Sinha / সুৰজিৎ সিনহা

(iv) Antonio Gramsci / এন্ট'নিও গ্ৰামচী

( Choose the correct answer )

( শুদ্ধ উত্তৰটো বাছি উলিওৱা )

(f) Complete transformation or social change is known as

সম্পূৰ্ণ ৰূপান্তৰকৰণ বা সমাজ পৰিৱৰ্তনক _____ বুলি জনা যায়।

(i) change in structure

সংৰচনাত পৰিৱৰ্তন

(ii) cultural lag

সংস্কৃতিৰ পশ্চাৎৱৰ্তীতা

(iii) multiple change in traditions

পৰম্পৰাত হোৱা বহুতো পৰিৱৰ্তন

(iv) structural change

সংৰচনাৰ পৰিৱৰ্তন

( Choose the correct answer )

( শুদ্ধ উত্তৰটো বাছি উলিওৱা )





(g) What do you mean by the term 'subaltern'?

'অধীনস্থ' শব্দটো বুলিলে কি বুজা?

(h) Dalits are

দলিতবোৰ

(i) twice-born caste / দ্বিজাত জাতি

(ii) once-born caste / এজাত জাতি

(iii) None of the above / ওপৰৰ এটাও নহয়

(iv) Both (i) and (ii) / (i) আৰু (ii) দুয়োটা

( Choose the correct answer )

( শুদ্ধ উত্তৰটো বাছি উলিওৱা )

(i) P. Sorokin is associated with the ____ theory of social change.

পি. চ'ৰকিন সমাজ পৰিৱৰ্তনৰ ____ তত্ত্বৰ লগত জড়িত।

(i) cyclical / চক্ৰীয়

(ii) linear / সূত্ৰীয়

(iii) evolutionary / বিৱৰ্তন

(iv) power / ক্ষমতা

( Choose the correct answer )

( শুদ্ধ উত্তৰটো বাছি উলিওৱা )

(j) Who has coined the term 'modernization'?

'আধুনিকীকৰণ' পদটোৰ ৰচক কোন?

2. Write short notes on : 2×5=10

চমু টোকা লিখা :

(a) Hybridization in India

ভাৰতত বৰ্ণসংকৰীকৰণ

(b) Dalits

দলিত

(c) New media

নৱ মাধ্যম

(d) Megacities

বৃহৎ নগৰ

(e) Nature of social change

সামাজিক পৰিৱৰ্তনৰ প্ৰকৃতি

3. Answer the following questions : 5×4=20

তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়া :

(a) Discuss the factors of social change in India.

ভাৰতৰ সামাজিক পৰিৱৰ্তনৰ কাৰকসমূহ বৰ্ণনা কৰা।





(b) Write briefly on Women's Movement in India.

ভাৰতীয় মহিলা আন্দোলনৰ বিষয়ে চমুকৈ লিখা।

(c) Discuss the various factors that led to the occurrences of Peasant Movement in India.

ভাৰতত কৃষক আন্দোলন সৃষ্টি কৰা বিভিন্ন কাৰকসমূহ আলোচনা কৰা।

(d) Discuss how middle class aspirations facilitates the process of social change in India.

মধ্যবিত্তীয় উচ্চাকাঙ্খাই ভাৰতীয় সমাজৰ সামাজিক পৰিৱৰ্তনত কিদৰে সুবিধা/সুগম কৰিছে, আলোচনা কৰা।

4. Answer any *four* of the following questions : 10×4=40

তলত দিয়া যি কোনো **চাৰিটাৰ** উত্তৰ দিয়া :

(a) What do you understand by the term 'modernization'? Discuss the impact of modernization in Indian society.

'আধুনিকীকৰণ' শব্দটো বুলিলে কি বুজা? ভাৰতীয় সমাজত আধুনিকীকৰণৰ প্ৰভাৱ সম্পৰ্কে আলোচনা কৰা।

(b) Discuss the significance of Dalit Movement in changing the socio-political landscape of Indian society.

ভাৰতৰ সমাজ আৰু ৰাজনৈতিক প্ৰেক্ষাপট সলনি কৰোঁতে দলিত আন্দোলনৰ ভূমিকা কেনে, আলোচনা কৰা।

(c) Discuss the process of Sanskritization and Westernization as the tools for bringing social change in India.

ভাৰতীয় সমাজৰ পৰিৱৰ্তনত আহিলা হিচাপে সংস্কৃতিকৰণ আৰু পাশ্চাত্যকৰণ প্ৰক্ৰিয়াক আলোচনা কৰা।

(d) What is globalization? Discuss the impact of globalization on Indian society.

গোলকীকৰণ কি? ভাৰতীয় সমাজত গোলকীকৰণৰ প্ৰভাৱ সম্পৰ্কে বৰ্ণনা আগবঢ়োৱা।

(e) What do you mean by social movement? Examine the role of social movement in bringing changes in society.

সামাজিক আন্দোলন বুলিলে কি বুজা? সামাজিক পৰিৱৰ্তন আনতে সামাজিক আন্দোলনৰ ভূমিকা সম্পৰ্কে বিশ্লেষণ আগবঢ়োৱা।

(f) Write an essay on the role and impact of social media in India.

ভাৰতত সামাজিক মাধ্যমৰ ভূমিকা আৰু প্ৰভাৱ সম্পৰ্কে এটা ৰচনা লিখা।



( Continued )



(g) "India is a country often cited to juggle between the polarity of tradition and modernity." Provide your opinion regarding how far such citation can be justified.

"পৰম্পৰা আৰু আধুনিকতাৰ মাজত বিভ্ৰান্তিত থকা দেশ হিচাপে ভাৰতক প্ৰায়েই উদ্ধৃত কৰা হয়।" এই উদ্ধৃতকৰণ যুক্তিসম্মত হয়নে? এই বিষয়ে তোমাৰ মতামত দাঙি ধৰা।

★ ★ ★

# 2018

# POLITICAL SCIENCE

## ( General )

Paper : 5.1

**( Public Administration—I )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*Answer* either *in English* or *in Assamese*

**1.** Answer the following questions : 1×10=10

তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া :

*(a)* From which Latin words the word 'administration' has been derived?

লেটিন ভাষাৰ কি কি শব্দৰ পৰা 'প্ৰশাসন' শব্দটো আহিছে?

*(b)* Write the name of the first textbook of Public Administration.

লোক-প্ৰশাসনৰ প্ৰথম পাঠ্যপুথিখনৰ নাম লিখা।

(c) Who developed the concept of POSDCORB?

POSDCORB ধাৰণাটো কোনে উদ্ভাৱন কৰিছিল ?

(d) When was the Minnowbrook Conference related to New Public Administration held?

নতুন লোক-প্ৰশাসনৰ লগত জড়িত মিনোব্ৰুক সন্মিলন কেতিয়া অনুষ্ঠিত হৈছিল ?

(e) Mention the name of one line agency.

এটা কাৰ্য গোটৰ নাম উল্লেখ কৰা।

(f) Mention one quality of Chief Executive.

মুখ্য কাৰ্যপালিকাৰ এটা গুণ উল্লেখ কৰা।

(g) Who developed the scientific management theory of organization?

সংগঠনৰ বৈজ্ঞানিক পৰিচালনা তত্ত্বটো কোনে আগবঢ়াইছিল ?

(h) Mention one cause of corruption.

দুৰ্নীতিৰ এটা কাৰণ উল্লেখ কৰা।





(i) In which year was the first Independent Regulatory Commission of America established?

কোন চনত আমেৰিকাৰ প্ৰথম স্বতন্ত্ৰ নিয়ন্ত্ৰক আয়োগ প্ৰতিষ্ঠা কৰা হৈছিল ?

(j) Who wrote the book, *Administrative Behaviour*?

'প্ৰশাসনীয় আচৰণ' নামৰ গ্ৰন্থখন কোনে লিখিছিল ?

2. Write very short answer : 2×5=10

অতি চমু উত্তৰ লিখা :

(a) What is 'politics-administration dichotomy'?

'প্ৰশাসন আৰু ৰাজনীতিৰ দ্বি-বিভাজন' কি ?

(b) Write two characteristics of New Public Administration.

নতুন লোক-প্ৰশাসনৰ দুটা বৈশিষ্ট্য লিখা।

(c) Mention two principles of scientific management theory.

বৈজ্ঞানিক পৰিচালনা তত্ত্বৰ দুটা নীতি উল্লেখ কৰা।

(d) Mention the four bases of organization.

সংগঠনৰ ভিত্তি চাৰিটা উল্লেখ কৰা।

(e) Write the name of two staff agencies of India.

ভাৰতৰ দুটা সহায়ক গোটৰ নাম লিখা।

3. Answer in brief (any *four*) : 5×4=20

চমু উত্তৰ দিয়া (যি কোনো চাৰিটা) :

(a) Mention the differences between public administration and private administration.

চৰকাৰী প্ৰশাসন আৰু বেচৰকাৰী প্ৰশাসনৰ পাৰ্থক্যবোৰ উল্লেখ কৰা।

(b) Mention two merits and three demerits of the principle of hierarchy.

অধিক্ৰম নীতিৰ দুটা গুণ আৰু তিনিটা দোষ উল্লেখ কৰা।

(c) Explain the necessity of the principle of span of control in organization.

সংগঠনত নিয়ন্ত্ৰণ বিস্তৃতি নীতিৰ প্ৰয়োজনীয়তা ব্যাখ্যা কৰা।





(d) Write briefly about the auxiliary agency.

গৌণ সহায়ক গোটৰ বিষয়ে চমুকৈ লিখা।

(e) Write five differences between line agency and staff agency.

